**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। বিশ্বজুৰি আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলকাতাৰ ৰেড ৰোডত আয়োজিত মূল অনুষ্ঠানৰ পৰা দেশবাসীক যোগাভ্যাসত নেতৃত্ব দিয়ে।

২। প্ৰধানমন্ত্ৰীয়ে আজি কলকাতাত আই এন এছ দুনাগিৰি, সংশোধক আৰু অগ্ৰয় নামৰ তিনিখন থলুৱাভাৱে নিৰ্মিত জাহাজ নৌসেনাত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত কৰিব।

৩। ভাৰতীয় ধবজা বহন কৰা খাৰুৱা তেল পৰিবাহী তিনিখন টেংকাৰে সফলতাৰে হৰমুজ প্ৰণালীক অতিক্ৰম কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীট ইউজি ২০২৬ৰ আজি পুনৰ অনুষ্ঠিত হ’ব।

*আৰু*

৫। জাৰ্মানয়ে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ত প্ৰৱেশ কৰিছে।

ooooo

বিশ্বজুৰি আজি দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। এইবাৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- সুস্থ বাৰ্ধক্যৰ বাবে যোগ আৰু ইয়াৰ জৰিয়তে সুস্থ, সক্ৰিয় আৰু মৰ্যাদাপূৰ্ণ বাৰ্ধক্যৰ বাবে যোগাভ্যাসক জীৱনজোৰা সাধনা হিচাপে আঁকোৱালি লোৱাৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰা হৈছে। পশ্চিমবংগৰ কলকাতাৰ ঐতিহাসিক ৰেড ৰোডত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৬ৰ মূল অনুষ্ঠানৰ আয়োজন কৰা হৈছে এই অনুষ্ঠানৰ পৰাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক যোগাভ্যাসৰ নেতৃত্ব দিয়ে। অনুষ্ঠানত যোগৰ প্ৰতি আগ্ৰহী হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি দেশ-বিদেশৰ অগণন লোকে ভাৰ্চুৱেল ব্যৱস্থাৰে ভাগ লয়। এই অনুষ্ঠানে স্বাস্থ্য, সম্প্ৰীতি আৰু সমূহীয়া কল্যাণৰ প্ৰসাৰৰ বিশ্বব্যাপী বিপ্লৱ হিচাপে যোগৰ ক্ৰমবৰ্ধমান ভূমিকাক পুনৰ সুদৃঢ় কৰে।

ইপিনে, সাংস্কৃতিক মন্ত্ৰালয়ে ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য বিজড়িত এশটা ঐতিহাসিক স্থানত বিশেষ যোগাভ্যাসৰ আয়োজন কৰে। এই উদ্যমৰ অংশ হিচাপে নতুন দিল্লীৰ লালকিল্লা, উত্তৰাখণ্ডৰ হৰিদ্বাৰ, ওড়িশাৰ কোনাৰ্ক, কৰ্ণাটকৰ হাম্পী, তামিলনাডুৰ মহাবলীপুৰম, মহাৰাষ্ট্ৰৰ মুম্বাই, বিহাৰৰ নালন্দা, গুজৰাটৰ আহমেদাবাদ, উত্তৰ প্ৰদেশৰ সাৰনাথ, তেলেংগানাত হায়দৰাবাদ, লাডাখৰ লেহ আৰু অসমৰ শিলচৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মধ্যপ্ৰদেশৰ জবলপুৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সদৰ এলেকাৰ গেৰিচন গ্ৰাউণ্ডত পুৱা চাৰে ৭ বজাত এই অনুষ্ঠান আৰম্ভ হ'ব। এই অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতি মুৰ্মু ৰাণী দুৰ্গাবতী বিশ্ববিদ্যালয়ত উপস্থিত হ'ব আৰু বিশ্ববিদ্যালয়খনৰ ৩৬ সংখ্যক সমাৱৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে ভাগ ল'ব। মধ্যপ্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেলেও এই অনুষ্ঠানত অংশ ল'ব। পাছত ৰাষ্ট্ৰপতিয়ে কুনো ৰাষ্ট্ৰীয় উদ্যানত চহৰীয়া জনজাতীয় সম্প্ৰদায়ৰ লোক, চিতাবাঘৰ তদাৰক কৰা কৰ্মী আৰু উদ্যানখনৰ কৰ্মচাৰীসকলক সাক্ষাৎ কৰিব।

ooooo

দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ এদিন পূৰ্বে কালি পাশ্চাত্যৰ দেশ সমূহৰ ভিন্ন প্ৰান্তত যোগৰ অনুশীলন কৰা হয়। কানাডাৰ টৰ'ণ্টত চৰকাৰী প্ৰতিনিধি, কূটনৈতিক নেতা, যোগ অনুশীলনকাৰী আৰু অন্যান্য নেতাসকলে যোগৰ বিশেষ সত্ৰত অংশগ্ৰহণ কৰে।এই সত্ৰত ভাষণ দি ভাৰতৰ কনচুল জেনেৰেলে সংস্কৃতিক, ভাষিক আৰু ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি সুস্বাস্থ্য, সম্প্ৰতি আৰু আভ্যন্তৰীন ভাৰসাম্যৰ বাবে যোগৰ অনন্য শক্তি সন্দৰ্ভত আলোকপাত কৰে।

ব্ৰাজিলত ভাৰতৰ ৰাষ্ট্ৰদূত দীনেশ ভাটিয়াৰ নেতৃত্বত বিশেষ যোগ সত্ৰ অনুষ্ঠিত হয়। ডেনমাৰ্কতো কালি যোগ অনুশীলনৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ভাৰতৰ ৰাষ্ট্ৰদূত মনীষ প্ৰভাতে ৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰী মেট্টে ফ্ৰেডৰিক্সনলৈ লিখা এখন পত্ৰ পাঠ কৰে।

ooooo

সামাজিক ন্যায় আৰু সবলীকৰণৰ মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত যোগ দিৱসৰ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাষ্ট্ৰযোৰা উদযাপনৰ অংশ হিচাপে আয়োজিত এই কাৰ্যসূচীত প্ৰায় ১৫শ জ্যেষ্ঠ নাগৰিকে ভাগ লৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাত আই এন এছ দুনাগিৰি, সংশোধক আৰু অগ্ৰয় নামৰ তিনিখন থলুৱাভাৱে নিৰ্মিত জাহাজ নৌসেনাত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত কৰিব। গাৰ্ডেন ৰিচ শ্বিপ বিল্ডাৰ্ছ এণ্ড ইঞ্জিনিয়াৰছ নামৰ প্ৰতিষ্ঠানটোৱে নৌসেনাৰ যুদ্ধ জাহাজ ডিজাইন ব্যুৰ'ই আৰ্হি প্ৰস্তুত কৰা জাহাজকেইখন নিৰ্মাণ কৰি উলিয়াইছে। জাহাজকেইখনৰ অন্তৰ্ভুক্তিৰ ফলত নৌসেনা বাহিনীত যুদ্ধ অভিযান, জল নিৰীক্ষণ আৰু ছাবমেৰিন বিধবংসী অভিযানৰ সামৰ্থ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। আই এন এছ দুনাগিৰি নাম জাহাজখন ব্ৰহ্মোছ ক্ষেপণাস্ত্ৰ আৰু মধ্যম দূৰত্বভেদী প্ৰতিৰক্ষা প্ৰণালীৰে সুসজ্জিত। ইয়াৰ বিপৰীতে আই এন এছ সংশোধক নামৰ জাহাজখন উপকূল আৰু গভীৰ পানীৰ অভিযানৰ বাবে সাজি উলিওৱা হৈছে। একেদৰে আই এন এছ অগ্ৰয় নামৰ জাহাজখন টৰ্পেডʼ, ৰকেট নিক্ষেপক আৰু ছ'নাৰ দৰে ছাবমেৰিন বিধবংসী প্ৰণালীৰে সুসজ্জিত।

নৌসেনাই প্ৰকাশ কৰা মতে এই জাহাজকেইখনত ৭৫ শতাংশৰো অধিক স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰা হৈছে আৰু দুশৰো অধিক অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ইয়াৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ সৈতে জড়িত।

০০০০০

ভাৰতীয় ধ্বজা বহন কৰা দেশ বৈভৱ, দেশ বিভোৰ আৰু ছনমাৰ হেৰাল্ড নামৰ খাৰুৱা তেল পৰিবাহী তিনিখন টেংকাৰে সফলতাৰে হৰমুজ প্ৰণালীক অতিক্ৰম কৰা বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। টেংকাৰ তিনিখনে ৮ লাখ ৬০ হাজাৰ মেট্ৰিক টনৰো অধীক খাৰুৱে তেল কঢ়িয়াই আনিছে। শ্ৰীসোণোৱালে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বত চৰকাৰে দেশৰ সামুদ্ৰিক স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে সৰ্বাধিক অগ্ৰাধিকাৰ দি আহিছে। শ্ৰীসোণোৱালে কয়, যে তেওঁৰ মন্ত্ৰ্যালয়ে ভাৰতৰ নাৱিক আৰু শক্তিখণ্ডৰ সুৰক্ষা সুনিশ্চিত কৰাৰ অৰ্থে সংশ্লিষ্ট সকলো সংস্থাৰ সৈতে সমন্বয়েৰে কাম কৰি আছে।

০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা- নীট ইউজি ২০২৬ৰ আজি পুনৰ অনুষ্ঠিত হ'ব। দেশৰ ৫৫১ খন আৰু বিদেশৰ ১৪ খন চহৰত হ'বলগীয়া এই পৰীক্ষাত ২২ লাখ ৭৯ হাজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ পূৰ্বে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই জেমাৰ, চিচিটিভি আৰু বায়'মেট্ৰিক্স ব্যৱস্থাৰ কাৰ্যকাৰিতা পৰীক্ষাৰ বাবে কালি দেশজুৰি মকড্ৰিল বা আখৰাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে সংস্থাটো পৰীক্ষা নিকা, স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কালি মহাৰাষ্ট্ৰৰ কোলহাপুৰত এহেজাৰ ৪৪৫ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ শ্ৰীঅম্বাবাই মন্দিৰ উন্নয়ন প্ৰকল্প শুভাৰম্ভ কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবীজ আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে। এই উপলক্ষে আয়োজিত সভাত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে কয়, যে ঐতিহাসিক কাৰ্বিৰত থকা শ্ৰীঅম্বাবাই মন্দিৰ সমগ্ৰ দেশৰ ভক্তসকলৰ এটি প্ৰধান বিশ্বাস আৰু উপাসনাৰ কেন্দ্ৰ। তেওঁ কয় যে প্ৰকল্পটোৱে মন্দিৰটোৰ ঐতিহাসিক সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যক সুৰক্ষিত ৰাখি ইয়াক আধুনিক তথা তীৰ্থযাত্ৰীক আকৰ্ষিত কৰিব পৰা স্থানত পৰিণত কৰিব। তেওঁ কয় যে এই প্ৰকল্পটোৱে ভক্তসকলৰ সা-সুবিধা বৃদ্ধি কৰাৰ লগতে ধৰ্মীয় পৰ্যটন কেন্দ্ৰ হিচাপে কোলহাপুৰৰ স্থান উন্নীত কৰিব। শ্ৰীশ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১২টা বছৰত উন্নয়ন, সাংস্কৃতিক পুনৰুজ্জীৱন, ৰাষ্ট্ৰীয় সুৰক্ষা আদিৰ ক্ষেত্ৰত দেশে বিশেষভাৱে অগ্ৰগতি লাভ কৰিছে। তেওঁ কয় যে এই সময়ছোৱাক দেশৰ ইতিহাসে ৰূপান্তৰকাৰী বিকাশৰ সময় হিচাপে স্মৰণ কৰিব। দেশৰ সাংস্কৃতিক ঐতিহ্য সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে সমগ্ৰ দেশতে গুৰুত্বপূৰ্ণ ধৰ্মীয় আৰু ঐতিহাসিক ক্ষেত্ৰসমূহ সংৰক্ষণ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে অম্বাবাই মন্দিৰ উন্নয়ন প্ৰকল্পই কেৱল তীৰ্থযাত্ৰীৰ বাবে আন্তঃগাঁথনি উন্নয়ন কৰাই নহয় বৰঞ্চ কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টি কৰাৰ লগতে স্থানীয় অৰ্থনীতিও উন্নীত কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগতে সীমা সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। এই

অভিলাষী মন্দিৰ উন্নয়ন প্ৰকল্পটোৱে ঐতিহাসিক স্থান সুৰক্ষিত কৰাৰ লগতে অঞ্চলটোৰ পৰ্যটনকেন্দ্ৰিক উন্নয়নক ত্বৰান্বিত কৰিব।

০০০০০

ভাৰত আৰু দক্ষিণ কোৰিয়াই লোক প্ৰশাসন আৰু ডিজিটীয় প্ৰশাসনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ বাবে উভয় দেশৰ প্ৰতিশ্ৰুতিদ্ধতাক দোঁহাৰিছে। কালি নতুন দিল্লীত কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙ দক্ষিণ কোৰিয়াৰ গৃহ আৰু সুৰক্ষা মন্ত্ৰী য়ুন হুজুংগৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ডিজিটীয় প্ৰশাসন, ই প্ৰশাসন, সামৰ্থ বৃদ্ধি আৰু নাগৰিক কেন্দ্ৰীক সেৱা প্ৰদানৰ ক্ষেত্ৰত উভয় দেশৰ সহযোগিতাত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত ড০ সিঙে কয় যে ভাৰত আৰু দক্ষিণ কোৰিয়া উভয়ে গণতান্ত্ৰিক প্ৰমূল্য আৰু ঐতিহ্যৰ লগতে আইনৰ শাসনৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীসিঙে লগতে উভয় দেশে লোক প্ৰশাসন আৰু উদ্ভাৱন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে বুজাবুজিৰ চুক্তি চূড়ান্ত কৰাৰ বাবে আলোচনা কৰা বুলি উল্লেখ কৰে।

০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডাৰ টৰ'ণ্টত অনুষ্ঠিত এখন খেলত জাৰ্মানীয়ে আইভৰি কষ্টক ২-১ গ'লত পৰাস্ত কৰি নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰে। খেলখনত জাৰ্মানীৰ হৈ ডেনিজ উণ্ডাভেই দুয়োটা গ'ল দিয়ে।

ইয়াৰ পূৰ্বে যোৱা নিশা আমেৰিকা যুক্তৰাষ্ট্ৰ হাষ্টনত অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত নেডাৰলেণ্ডছে ছুইডেনক অনায়াসে ৫-১ গ'লত পৰাস্ত কৰে। কালি অনুষ্ঠিত আন এখন খেলত ব্ৰাজিলে হেইটীক ৩-০ গ'লত পৰাভূত কৰে।

০০০০০

সমাপ্ত